بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ نَحۡمَدُهٗ وَنُصَلِّيۡ عَلٰى رَسُوۡلِهِ الۡكَرِيۡمِ وَعَلٰى عَبۡدِهِ الۡمَسِيۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ৩১ জুলাই তাৰিখত মছজিদ মোবাৰক ইছলামাদ (বৃটেইনত ) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়াহদাহু লাশ্বাৰিকালাহু ওয়া আশ্বহাদু আন্না মুহাম্মাদান আবদুহু ওয়া ৰাছুলুহু - আম্মা বাদু ফাউজুবিল্লাহ হিমিনা শ্বায়তানিৰ ৰাজিম - বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম - আলহামদু লিল্লাহি ৰাববিল আলামিন-আৰ ৰাহমানিৰ ৰাহিম- মালিকি ইয়াও মিদ্দিন - ইয়াকানা বুদু ওয়া ইয়া কানাছ তাঈন- ইহদিনাছ ছিৰাতাল মুছতাকিমা ছিৰাতাল্লাজিনা আন-আমতা আলায়হিম গায়ৰিল মাগজুবি আলায়হিম ওয়ালাজ্জালিন।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - আজি পুৱাতে আমি ঈদৰ নামাজ পঢ়িছো, আনহাতে আজি জুমাৰ দিন। যদি জুমাৰ দিনাখন ঈদৰও দিন হয় তেন্তে এই বিষয়ে আঁহজৰত (ছাঃ)ৰ নিৰ্দেশ আছে যে যি সকলে এই দিনটোত জুমাৰ সলনি কেৱল নমাজে জহুৰ পঢ়িব বিচাৰে, তেন্তে সেয়া পঢ়িব পাৰে। কিন্তু ইয়াৰ লগতে এয়াও উল্লেখ কৰিছে যে আমি জুমা পঢ়িম। এই উদৃতি অনুসৰি এয়া স্পষ্ট যে তেখেত (ছাঃ)য়ে জুমাৰ দিনা ঈদৰ নমাজ পঢ়াৰ পিছত আকৌ সময় মতে নমাজে জুমাও পঢ়িছিল। গতিকে মই আমিৰ চাহাবক উক্ত দৃষ্টান্ত অনুসৰি কৈছো যে যি সকলে নমাজে জহুৰ পঢ়িব বিচাৰে, তেওঁলোকে বাজামাত নমাজে জহুৰ পঢ়ি লব পাৰে, জুমা পঢ়িব নালাগে। কিন্তু আমি ইয়াত আঁহজৰত (ছাঃ)ৰ আমলৰ আনুগত্য স্বৰূপে জুমাৰ নমাজ পঢ়ি আছো।

হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ যুগত এনেদৰে এবাৰ জুমাৰ দিনাখনেই ঈদুল আযহাৰ দিন হৈছিল। বিভিন্নজনে প্ৰমাণ, দলিল আদি আগবঢ়াইছিল যে আমাৰ সৃষ্টিকৰ্তা ইমানেই দানশীল যে যি আমাক এটা দিনতে দুটা ঈদ জমা কৰি কৰি দিছে। এতিয়া চাওঁক ! যিজনে দুটা দুটা যিয়ে ভজাঁ ফুলি উঠা ৰুটি পায়, তেওঁ কিয় বাৰু এটাক এৰি দিব, তেওঁ দেখোন দুয়োটাই লৈ লব, যদি তাৰ কোনো ধৰণৰ বাধ্যবাদকতা নাথাকে। গতিকে ৰছুলুল্লাহ (ছাঃ)য়ে অনুমতি দিছে যে যদি কোনোবায় অসুবিধাত বাধ্য হৈ জহুৰৰ নমাজ পঢ়ে, আৰু জুমা নপঢ়ে তেন্তে বেলেগৰ বাবে উচিত নহয় যে তাৰ ওপৰত সমালোচনা কৰে আৰু কিছুমান লোক আছে যে যি সকলে দুয়ো নমাজেই পঢ়ি লোৱাৰ সুযোগ পাইছে, তেনে ক্ষেত্ৰত বেলেগৰ উচিত নহব যে এয়া কব যে - তেওঁলোকে ছুটি লাভ কৰাৰ সুবিধা গ্ৰহন কৰা নাই।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে -আমি ইয়াত নমাজে জুমা পঢ়ি আছো কিন্তু জুমাৰ খোতবা অতি চুটিকৈ দিয়া হব। গতিকে আজিৰ খোতবাত হজৰত মছিহ মাওউদ (আইঃ)ৰ কেইটামান মন্তব্য উদৃত কৰা হৈছে। যাৰ মাজত হজৰত মছিহ মাওউদ (আঃ)য়ে নিজৰ আগমনৰ উদ্দেশ্য বৰ্ণনা কৰিছে। নিজৰ অনুসাৰী জমাতক আঁহজৰত (ছাঃ)ক খাতামান্নাবীঈন হিচাপে মানি লোৱাৰ আৰু প্ৰকৃতাৰ্থে অমৰ নবী হোৱাৰ বিষয়ে এটা তাৎপৰ্যপূৰ্ণ বিশ্লেষণ আগবঢ়াইছে লগতে আঁহজৰত (ছাঃ)ৰ স্থান আৰু মৰ্যদা সম্পৰ্কে এটা সুন্দৰ বৰ্ণনা দিছে। আমাৰ বিৰুদ্ধবাদী সকলে আমাৰ ওপৰত এয়া অভিযোগ জাপি দিয়ে যে আমি হজৰত মছিহ মাওউদ (আঃ)ক মানি লৈ (নাউজুবিল্লাহ) আঁহজৰত (ছাঃ)ৰ স্থান আৰু মৰ্যাদাৰ পদস্খলন ঘটাইছো। আমাৰ বিৰুদ্ধবাদী সকলে পাকিস্থানৰ সদনত এই বিল পাচ কৰোৱাই গৌৰৱ বোধ কৰি আছে যে - চোৱা, আমি আঁহজৰত (ছাঃ)ৰ নামৰ লগত খাতামান্নাবীঈন শব্দ লিখাটো বাধ্যতামুলক কৰি কিমান মহান প্ৰেম তেখেত (ছাঃ)ৰ মৰ্যাদা উন্নীত কৰিছো। যদি এই বিৰুদ্ধবাদী সকলৰ হৃদয় প্ৰকৃততেই তেওঁলোকৰ এই কাৰ্য্য অনুযায়ী সাক্ষ্য বহন কৰি তেওঁলোকক আঁহজৰত (ছাঃ)ৰ সুন্দৰ জীৱনাদৰ্শৰ ওপৰত আমল কৰোঁতা বনায় তেন্তে নিশ্চিত এয়া বৰ ভাল কথা কিন্তু তেওঁলোকৰ বাহ্যিক আমলে দেখোন তেওঁলোকক ইয়াৰ পৰা মাইল ও মাইল আঁতৰত লৈ গৈছে। যি শিক্ষা আঁহজৰত (ছাঃ)য়ে দি থৈ গৈছে তাৰ পৰা এওঁলোক আঁতৰি পৰিছে। এওঁলোকে ভাৱে যে সিঁহতে এই খাতামান্নাবীঈন শব্দ আঁহজৰত (ছাঃ)ৰ নামৰ লগত লিখাটো বাধ্যতামূলক বনাই দিয়াটো বৰ এটা ডাঙৰ কাম তেওঁলোকে কৰিছে আৰু আহমদী সকলৰ বাবে এটা ডাঙৰ হেঙাৰ স্বৰূপ হৈছে। এই সকল প্ৰজ্ঞান্ধ বিলাকে নাজানে যে আহমদী সকলে আটাইতকে বেছি খাতামান্নাবীঈনৰ ওপৰত সম্পুৰ্ণ বিশ্বাস ৰাখে আৰু এই বিশ্বাস হজৰত মছিহ মাওউদ (আঃ)য়ে আমাৰ মাজত জগাই তুলিছে। হজৰত মছিহ মাওউদ (আঃ)ৰ কথাৰ মাজত যি শক্তি নিহিত আছে, তাৰ আগত এই বিলাক লোক তিষ্টিব নোৱাৰে। তেখেত (আঃ)ৰ প্ৰত্যেক মহুৰ্ত আৰু আমলত হজৰত খাতামুল

আম্বিয়া মহম্মদ মোস্তফা (ছঃ)ৰ প্ৰতি প্ৰেমৰ ফিৰিঙত জিলিকি আছে, যলৈকে এই বিলাক লোকৰ চিন্তায় ঢুকি নাপায়। তেখেতে (আঃ)য়ে নিজৰ আবিৰ্ভাৰৰ আচল উদ্দেশ্য আৰু তাৰ ছিলছিলাৰ উন্নতি সম্পৰ্কে বিৰুদ্ববাদী সকলক জনাইছে যে "মোৰ ধৰাধামত আবিৰ্ভাৰ হোৱাৰ দুটা কাৰণ আছে। তাৰে মুছলমান সকলৰ বাবে হ'ল এয়া যে এওঁলোকে যেন আচল তাকওয়া আৰু পবিত্ৰতাৰ ওপৰত প্ৰতিষ্ঠিত হব পাৰে। এওঁলোকে যেন এনেকুৱা সত্য মুছলমান হয়, যি মুছলমানৰ গুঢ়াৰ্থত আল্লাহ তায়ালা বিচাৰিছে যে পূৰ্ণ আনুগত্যৰ সৈতে আল্লাহ তায়ালাৰ আদেশ পালনত ব্ৰতী হোৱা। আনহাতে ঈছাই সকলৰ বাবে ক্ৰুছ ধংস হওঁক আৰু তেওঁলোকৰ বনাবটী খোদা অদৃশ্য হওঁক যাতে জগতে ইয়াক সমুলি পাহৰি যাব পাৰে আৰু খোদায়ে ওৱাহেদৰ ইবাদত প্ৰতিষ্ঠা হয়। কৈছে যে - যিহেতু আল্লাহ তায়ালা এই কামৰ শুভাৰম্ভ কৰিছে গতিকে তাৰ ফৰিস্তায় ইয়াৰ ৰক্ষণা-বেক্ষণ কৰিছে, কোন আহিছে ইয়াক সাল-সলনি কৰিব পাৰে ? মনত ৰাখিবা : মোৰ এই ছিলছিলা যদি সাধাৰণ দোকানদাৰী হৈ থাকে তেন্তে ইয়াৰ নাম ও নিচান ভৱিষ্যতলৈ নিচিহ্ন হৈ যাব কিন্তু যদি খোদা তায়ালাৰ ফালৰ পৰা নিবেদিত তেন্তে গোটেই বিশ্বই ইয়াৰ বিৰুধীতা কৰিলেও ই বাঢ়ি যাব, ফুলে ফুলে জাতিষ্কাৰ হব আৰু ফিৰিস্তায় ইয়াৰ হিফাজত কৰিব। যদি এজন ব্যক্তিও মোৰ লগত নাথাকে আৰু কোনেও মোক সহায় নকৰে তথাপি মই বিশ্বাস ৰাখো যে এই ছিলছিলা কৃতকাৰ্য্য হব।

আকৌ নিজৰ আৰু নিজৰ জমাতৰ পূৰ্ণ ঈমান আৰু আঁহজৰত (ছাঃ)ৰ পূৰ্ণ আনুগত্যৰ ঘোষনা কৰি হজৰত আকদছ মছিহ মাওউদ (আঃ)য়ে কৈছে - মই সত্য কথা কৈছো আৰু খোদা তায়ালাৰ কছম খাই কওঁ যে মই আৰু মোৰ জমাত মুছলমান হয় আৰু আঁহজৰত (ছাঃ) কোৰ-আন কৰিমৰ ওপৰত এনেদৰে ঈমান ৰাখে যেনেকৈ এজন সত্য মুছলমানে ৰখা উচিত। মই ইছলামৰ বাহিৰত সামান্যতমও খোজ পেলোৱাটো তাৰ ধংসৰ কাৰণ বুলি বিশ্বাস কৰো। মোৰ এয়াই ধৰ্ম বিশ্বাস যে যিমান দুৰ কল্যাণ আৰু বৰকত এজনে অৰ্জন কৰিব পাৰে আৰু আল্লাহ তায়ালাৰ যিমানেই সান্নিধ্য লাভ কৰিব পাৰে, সেয়া কেৱল আঁহজৰত (ছাঃ)ৰ প্ৰকৃত আনুগত্য আৰু পূৰ্ণ প্ৰেম প্ৰনয়তহে লাভ কৰিব পাৰে। ইয়াৰ বাহিৰে কোনো পন্থেই সম্ভৱ নহয়। তেখেত (ছাঃ)য়ে দেখুওয়া বাটৰ বাহি ৰে সজ বাট আৰু নাই। হয় ! এই কথাও সত্য যে মই এয়া কেতিয়াও বিশ্বাস নকৰো যে মছিহ নাছৰি (আঃ) এই জাগতিক চৰ্ম দেশৰ সৈতে জীৱিত অৱস্থাত আচমান লৈ উঠি গৈছে আৰু এতিয়ালৈকে জীয়াই আছে। মই এইখিনি কথা এই কাৰণেই নামানো এয়া মানি ললে আঁহজৰত (ছাঃ)ৰ সন্মান হানি কৰা হয়। মই বিন্দু মাত্ৰ সময়ৰ বাবেও এই অসন্মান সহ্য কৰিব নোৱাৰো। এতিয়া যদি মছিহৰ মৃত্যু হোৱাটো বিশ্বাস কৰা বা মৃত্যু তাৰ ওপৰত জাপি দিয়াটো বে-আদবী হয়, তেন্তে মই কওঁ যে আঁহজৰত (ছাঃ)ৰ সম্পৰ্কে এই অন্মান আৰু বে-আদবী কিয় বিশ্বাস কৰা হয় ? বৰ সুন্দৰ সুৰ মিলাই মৌলুদ পাঠৰ মাজেৰে তেখেত (ছাঃ)ৰ মৃত্যুৰ বিষয়ে উল্লেখ কৰা হয় আৰু কাফিৰ সকলৰ আগত বুকু ফিন্দাই বিশ্বাস কৰি লোৱা যে তেখেত (ছাঃ) মৃত্যুবৰণ কৰিছে। কিন্তু মই এই কথাখিনি বুজি নাপাও যে হজৰত ঈছা (আঃ)ৰ মৃত্যুৰ কথাত কিয় পাথৰ চেপা লাগে আৰু চকু কপালত তুলি লোৱা।

হজৰত মছিহ মাওউদ (আঃ)য়ে কৈছে যে - মই সচাকৈ কওঁ যে জগতখনক আৰু মুছলমান সকলৰ বাবে আঁহজৰত (ছাঃ)ৰ ব্যক্তিত্বৰ যিমানদূৰ প্ৰয়োজন আছিল, তেনেকুৱা প্ৰয়োজন মছিহ নাছৰিৰ ব্যক্তিত্বৰ নাছিল। আঁহজৰত (ছাঃ)ৰ সত্তা আৰু ব্যক্তিত্ব ইমানেই মোবাৰক ব্যক্তিত্ব আছিল যে যেতিয়া তেখেত (ছাঃ)ৰ মৃত্যু হৈছিল, চাহাবা সকলে বিস্মৃত বলিয়াৰ দৰে হৈ পৰিছিল। পৰিস্থিতি এনেকুৱা হৈ পৰিছিল যে হজৰত উমৰ (ৰাঃ)য়ে খাপৰ পৰা তৰোৱাল উলিৱাই লৈ কৈছিল যে যদি কোনোবায় আঁহজৰত (ছাঃ)ক মৃত বুলি কয় তেন্তে মই তাৰ মূৰ ডিঙিৰ আঁতৰ কৰি পেলাম। এনেকুৱা শোকাকুল অৱস্থাত হজৰত আবু বক্কৰ (ৰাঃ)য়ে সকলো চাহাবাক এঠাইত জমা কৰি খোতবাৰ মাজত কোৰ-আন কৰিমৰ এই আয়াত পাঠ কৰি শুনাইছিল "ওয়া মা মুহাম্মাদুন ইল্লা ৰাছুলুন কাদ খালাত মিন কাবলিহিৰ ৰছুল" অৰ্থ্যাৎ আঁহজৰত (ছাঃ)এজন ৰছুল আছিল আৰু এখেতৰ আগতে যিমান ৰছুল আহিছিল, সকলোৱে মৃত্যুবৰণ কৰিছে। হজৰত উমৰ (ৰাঃ)ৰ দৰে প্ৰতাপী চাহাবাৰ আবেগ আৰু আঁহজৰত (ছাঃ) জীৱিত থকাৰ ধাৰণা হজৰত আবু বক্কৰ (ৰাঃ)ৰ মুখত এই আয়াত শুনাৰ লগে লগেই সমুলি দূৰ হৈ গৈছিল। যদি তেখেত (ৰাঃ)য়ে জানিলেহেতেঁন বা বিশ্বাস কৰিলে হয় যে হজৰত ঈছা আচমানত জীৱিত আছে তেন্তে তেওঁ জীৱন্তই মৰিলহেতেঁন। ইয়াৰ পিছত চাহাবা সকলে মদিনাৰ বাটে বাটে ঘুৰি ঘুৰি এই আয়াত পাঠ কৰি ফুৰিছিল আৰু তেওঁলোকৰ এয়া ধাৰণা হৈছিল যে এই আয়াত আজিহে অৱতীৰ্ণ হৈছে। এনেদৰে আঁহজৰত (ছাঃ)ৰ মৃত্যু সম্পৰ্কে সৰ্বপ্ৰথম জনমত সংগৃহীত হৈছিল আৰু হজৰত মছিহ নাছৰিৰ মৃত্যু হোৱাটো খাটাং হৈ গৈছিল।

আকৌ আঁহজৰত (ছাঃ)ৰ স্থান আৰু মৰ্যাদা সম্পৰ্কে হজৰত মছিহ মাওউদ (আঃ)য়ে বৰ্ণনা কৰিছে যে - সেই মানৱ, যিজন আটাইতকৈ বেছি সম্পুৰ্ণ আৰু মানৱে কামিল আছিল আৰু নবী আছিল আৰু আদি অন্তৰ পূৰ্ণ বৰকতৰ সৈতে আহিছিল, যাৰ পৰা আধ্যাত্মিকতাৰ স্ৰোত আৰু হাশৰৰ প্ৰহেলিকায় জগতৰ প্ৰথম কিয়ামতৰ প্ৰকাশিত কৰিছে আৰু এখন মৃত জগতক তাৰ আগমনে জীৱন দান কৰিছে আৰু এখন মৃত জগতক তাৰ আগমনে জীৱন দান কৰিছে, সেই মোবাৰক

নবী হ'ল হজৰত খাতামুল আম্বিয়া ইমামুল চফিয়া খাতামুল মুৰছালিন ফকৰুন্নাবীঈন জনাব মহম্মদ মোস্তাফা (ছাঃ)। হে প্ৰেমময়ী খোদা ! এই চেনেহৰ নবীৰ ওপৰত সেই ৰহমত আৰু দৰূদ পৌছাই দিয়া, যি আদিৰে পৰা জগতখনত তুমি কাৰো ওপৰত প্ৰেৰণ কৰা নাই। যদি এই মহান নবী পৃথিৱীত নাহিলহেতেঁন তেন্তে এই সৰু সৰু নবী যি সকলে পৃথিৱীত আহি গৈছে, যেনেকৈ আছে ইউনুছ, আয়উব, মছিহ ইবনে মৰিয়ম, মালাকি ইয়া হিয়া আৰু জাকাৰিয়া ইত্যাদি সকলোৰে সত্যতাৰ প্ৰমান আমাৰ হাতত নাথাকিলেহেতেঁন যদিওঁ এওঁলোক আল্লাহৰ নৈকট্য প্ৰাপ্ত, পবিত্ৰ আৰু খোদা তায়ালাৰ প্ৰিয় পাত্ৰ আছিল। এয়া এইজনা নবীৰ দয়া যে এই সকল লোকেও পৃথিৱীত সত্য প্ৰমানিত হৈছে।

আল্লাহ তায়ালা আমাক সদায় আঁহজৰত (ছাঃ)ৰ স্থান আৰু মৰ্যাদাৰ প্ৰকৃত জ্ঞান দান কৰি তেখেত (ছাঃ)ৰ প্ৰতি দৰূদ প্ৰেৰণ কৰাৰ তৌফিক দান কৰক আৰু আমি যেন আগতকৈ বেছি আল্লাহ তায়ালাৰ আস্থানত প্ৰণিপাত কৰোঁতা, নতশীৰ হওঁতা হব পাৰোঁ আৰু এয়াই হ'ল সেই পদ্ধতি, যি পদ্ধতিৰে আমি নিজৰ আমলৰ জৰিয়তে আঁহজৰত (ছাঃ)ৰ প্ৰতি থকা প্ৰেম প্ৰকাশ কৰিব পাৰিম আৰু নিজৰ হৃদয়ত তাক নিগাজিকৈ থাপিত কৰিব পাৰিম আৰু আমি বিৰুদ্ধবাদী সকলৰ বিৰুধীতাৰ উত্তৰ দিব পাৰিম। আল্লাহ তায়ালা আমাক ইয়াৰ বাবে তৌফিক দান কৰক। (আমিন)

"আলহামদু লিল্লাহি নাহমাদুহু ওয়া নাছতাঈনুহু ওযা নাছতাগফিৰুহু ওয়ানু মিনু বিহি ওয়া নাতাওয়াক্কালু আলায়হি ওয়া নাউজুবিল্লাহি মিন শুৰুৰি আনফুছিনা ওয়া মিন ছাইয়ে আতি আমালিনা মাই ইয়াহ দিহিল্লাহু ফালা মুজিল্লাল্লাহু ওয়া মাই-ইউজ লিলহু ফালা হাদিয়ালাহু ওয়া নাশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়া নাশ্বহাদু আন্না মুহাম্মাদান আবদহু ওয়া ৰাছুলুহু,

ইবাদাল্লাহি ৰাহিমুকুমুল্লাহি ইন্নাল্লাহা ইয়ামুৰুবিল আদলি ওয়াল ইহছানি ওয়া ইতাইজিল কুৰবা ওয়া ইয়ানহা আনিল ফাহশায়ি ওয়াল মুনকাৰি ওয়াল বাগি ইয়াইজুকুম লা-আল্লাকুম তাজাক্কাৰুনা উজকুৰুল্লাহ ইয়াজ কৰুকুম ওয়াদ উহু ইয়াছ তাজিবলাকুম ওয়ালা জিকৰুল্লাহি আকবাৰ"।

## Assamese Khulasa Khutba Jumma Huzoor Anwar 31 JULY . 2020

**(BOOK POST PARINTED MATTER)**

**To** ------------------------------------------------------------------------

------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**